بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বনু নজিৰৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনাৱলী সম্পৰ্কে বৰ্ণনাৰ শেষাংশ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৮ জুন ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বনু নজিৰৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা চলি আছে। এই বিষয়ে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবীঈন পুস্তকত লিখিছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে বনু নজিৰৰ দুৰ্গৰ ফালে যাত্ৰা কৰিছিল তেতিয়া তেখেত (ছাঃ)য়ে নিজৰ সহকাৰী হিচাপে মদিনাৰ বাসিন্দা সকলৰ বাবে আব্দুল্লাহ ইবনে মকতুমা (ৰাঃ)ক ইমামুচ্ছালাত নিযুক্ত কৰি থৈ গৈছিল আৰু নিজে চাহাবা সকলৰ জামাতৰ সৈতে গৈ বনু নজিৰৰ বস্তি ঘেৰাও কৰি লয়। সেই যুগৰ যুদ্ধ পদ্ধতি হিচাপে বনু নজিৰৰ কবিলাৰ দুৰ্গ অৱৰোধ হৈ যায়। তেতিয়া আব্দুল্লাহ বিন উবায় বিন ছুলুল আৰু অন্যান্য মুনাফিকিনে মদিনায় বনু নজিৰৰ চৰদাৰক খবৰ পঠিয়ায় যে তোমালোক মুছলমান সকলৰ হাতত পৰাজয় স্বীকাৰ নকৰিবা, আমি তোমালোকক সহায় কৰিম আৰু তোমালোকৰ হৈ যুদ্ধ কৰিম। কিন্তু যেতিয়া যুদ্ধ প্ৰায় আৰম্ভই হৈছিল তেতিয়া এই মুনাফিকৰ দলে আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে মুকলি ভাৱে যুদ্ধ ময়দানলৈ আহিবলৈ সাহস নাপায়, আনহাতে বনু কুৰাইজা লোকেও মুছলমানৰ বিৰুদ্ধে বনু নজিৰক সহায় কৰিবলৈ ময়দানত নামিবলৈ সাহস ঘোটাব নোৱাৰে।

যিয়েই নহওঁক বনু নজিৰৰ লোকে মুছলমান সকলৰ মোকাবিলা কৰিবলৈ ওলাই নাহি দুৰ্গত আৱদ্ধ হৈ পৰে। যিহেতু যুগ হিচাপে বনু নজিৰৰ দুৰ্গ বৰ মজবুত আছিল, সেয়ে তেওঁলোকে ধাৰণা কৰিছিল যে মুছলমান সকলে তেওঁলোকৰ একো ক্ষতি সাধন কৰিব নোৱাৰে আৰু শেষত বিমুখ হৈ অৱৰোধ এৰি

গুচি যাব। এই অৱৰোধ ছয় দিনলৈ আকৌ আন এটা ৰিৱায়ত অনুযায়ী পোন্ধৰ দিন লৈকে জাৰি ৰাখিছিল। ইয়াতে বিছ দিন আৰু তেইছ্‌ দিনৰও উল্লেখ আছে।

অৱৰোধৰ কেইদিনমান পাৰ হৈ যাওঁতেই আঁহজৰত (ছাঃ)য়ে দুৰ্গৰ বাহিৰত থকা খেজুৰৰ গছ বিলাকৰ পৰা কিছুমান গছ কাটি পেলোৱাবলৈ আদেশ দিয়ে। সেই বিলাক গছ এক ধৰণৰ অখাদ্য খেজুৰৰ গছ্‌ আছিল আৰু ইহুদী সকলে সেই গছ্‌ বিলাকৰ আঁৰ লৈ বেৰৰ ওপৰত উঠি তীৰ চলাইছিল আৰু পাথৰ দলিয়াই দিছিল। সেয়ে আঁহজৰত (ছাঃ)য়ে সেই খেজুৰৰ গছ্‌ বিলাক কাটি পেলাবলৈ আদেশ দিছিল যাতে বনু নজিৰৰ লোকে ভয় খাই দুৰ্গৰ দুৱাৰ খুলি দিয়ে আৰু এনেদৰে  যাতে কেইটামান গছ্‌ কটাৰ বিনিময়ত মানৱ প্ৰাণৰ ক্ষতি আৰু দেশৰ কাজিয়া ফাছাদৰ ওৰ পৰে।

অনুমান হয় যে আল্লাহ তা'লাৰ বিশেষ ইলহামৰ জৰিয়তে তেখেত (ছাঃ)য়ে এই গছ্‌ বিলাক কাটিবলৈ আদেশ দিছিল। গতিকে এই গছ্‌ বিলাক কটাত উদ্দেশ্য সফল হৈছিল। কেৱল মাত্ৰ ছয়টামান গছ্‌ কাটি পেলোৱাৰ লগে লগেই বনু নজিৰৰ লোক সকলে সম্ভৱত ধাৰণা কৰিছিল যে মুছলমান সকলে তেওঁলোকৰ ফলবন্ত গছ্‌ বিলাকও কাটি পেলাব, সেয়ে তেওঁলোকে দুৰ্গৰ ভিতৰৰ পৰাই চিঞৰ-বাখৰ কৰিবলৈ আৰম্ভ কৰিছিল। সাধাৰণতে মুছলমান সকলৰ শত্ৰু পক্ষৰ ফলবন্ত গছ্‌-গছনি কটাৰ অনুমতি নাছিল। অৱশেষত বনু নজিৰৰ লোক সকলে ভয় পাই এই চৰ্ত সাপেক্ষে দুৰ্গৰ দুৱাৰ খুলি দিছিল যে তেওঁলোকক নিজৰ বস্তু বাহানি লৈ নিৰাপদে তাৰ পৰা ওলাই যাব দিব লাগিব।

ইহুদী সকলৰ অসহায় অৱস্থা আৰু তেওঁলোকৰ বাসস্থান ত্যাগ কৰাৰ আবেদন সম্পৰ্কে উল্লেখ আছে যে মুছলমান সকলে এই কবিলাৰ গছ্‌-গছনি জ্বলাই পুৰি পেলাই সিহঁতক ভয় দেখুৱাইছিল। আল্লাহ তা'লা সিহঁতৰ মনত ভয় সঞ্চাৰণ কৰি দিছিল। যাৰ ফলত তেওঁলোকে আত্ম সমৰ্পন কৰিবলৈ বাধ্য হৈ পৰে। সিহঁতে নিজৰ বাসস্থান এৰি গুচি যোৱাৰ আবেদন মৰ্মে আঁহজৰত (ছাঃ)য়ে তেওঁলোকক মদিনাৰ পৰা গুচি যাবলৈ আদেশ দিছিল আৰু কৈছিল তোমালোকে মদিনা এৰিলে তোমালোকৰ প্ৰাণ ৰক্ষা পৰিব। তোমালোকৰ উটে যিমান খিনি বয়-বস্তু নিব পাৰে তোমালোকে সিখিনি লৈ যোৱা কিন্তু অস্ত্ৰ-শস্ত্ৰ নিব নোৱাৰা।

আঁহজৰত (ছাঃ)ক দোষাৰোপ কৰোঁতা সকলে লক্ষ্য কৰা উচিত যে চুক্তি ভঙ্গ কৰোঁতা, ৰাজ্যৰ নেতা আঁহজৰত (ছাঃ)ক কেইবাবাৰ মাৰি পেলাবলৈ ষড়যন্ত্ৰ কৰা আৰু চেষ্টা কৰা, অস্ত্ৰ-সস্ত্ৰ লৈ বিদ্ৰোহত নামি অহা, শান্তি চুক্তিক অৱজ্ঞা কৰা সকলৰ ওপৰত আঁহজৰত (ছাঃ)য়ে প্ৰভুত্ব বিস্তাৰ কৰিও তেখেত (ছাঃ)য়ে শান্তি পছন্দ,চুক্তি আৰু দয়া প্ৰদৰ্শন কৰি তেওঁলোকক নিৰাপদে গুচি যাবলৈ আদেশ দিছিল। দয়া আৰু ইনায়েত এনেকুৱা প্ৰদৰ্শন কৰিছিল যে অস্ত্ৰ-সস্ত্ৰৰ বাহিৰে বাকী বস্তু বাহানি আদি যি নিব বিচাৰে তেওঁলোকে লৈ যাব পাৰে।

আঁহজৰত (ছাঃ)য়ে বাসস্থান এৰি গুচি যোৱাৰ চাৰিটা চৰ্ত ৰাখিছিল প্ৰথম বনু নজিৰৰ লোক সকলে মদিনাৰ অঞ্চল এৰি যলৈ যাব বিচাৰে যাব পাৰিব। দ্বিতীয় বাসস্থান এৰি যোৱাৰ সময়ত কোনো অস্ত্ৰ-শস্ত্ৰ লৈ যাব নোৱাৰিব। তৃতীয় সিহঁতৰ বয়-বস্তু যিমানখিনি সিহঁতে পাৰে লৈ যাব পাৰিব। চতুৰ্থ ইহুদী সকলে নিজৰ প্ৰয়োজনীয় বয়-বস্তু লৈ যোৱাৰ পিছত যিমান খিনি সা-সম্পদ ৰৈ যাব, সেই ধন-মাল মুছলমান সকলে লাভ কৰিব।

হজৰত মির্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ইহুদী সকলৰ এই বাসস্থান ত্যাগ কৰা সম্পর্কে লিখিছে যে বনু নজিৰৰ লোকে নিজৰ ঘৰ-দুৱাৰৰ সকলো বস্তু যেনে দৰজা,খিৰকি ইত্যাদি সকলো ভাঙি-ছিঙি লৈ গৈছিল। তেওঁলোকে মদিনাৰ পৰা পূর্ণ উল্লাসেৰে ঢোল-খোল বজাই গাই গাই ওলাই গৈছিল, যেনিবা এটা বিয়াৰ বাৰাত যাত্রী গৈ আছে। মুঠতে তেওঁলোকে লৈ যাব নোৱাৰা বস্তু আৰু সা-সম্পত্তি বাগান বাৰি ইত্যাদি মুছলমানৰ হাতলৈ আহিছিল। যিহেতু এই ধনমাল বিনা যুদ্ধত লাভ হৈছিল, সেয়ে ইছলামী চৰিয়ত অনুযায়ী এই ধনমাল বিতৰণ কৰাৰ অধিকাৰ একমাত্র ৰছুলুল্লাহ (ছাঃ)ৰ হাতত আছিল আৰু তেখেত (ছাঃ)য়ে এই সম্পদৰ বেছি অংশই দৰিদ্র মুহাজেৰিণ সকলক ভগাই দিছিল। এই মুহাজেৰিণ সকলে তেতিয়াও মদিনাৰ আনছাৰ সকলৰ সম্পদৰ ওপৰত নির্ভৰশীল আছিল। এনেদৰে বিনা কাৰণেই আনছাৰ সকলেও এই গনিমতৰ অংশীদাৰ হৈছিল।

যেতিয়া বনু নজিৰে মহম্মদ বিন মুছায়লমহাৰ (ৰাঃ)ৰ নেতৃত্বত মদিনাৰ পৰা গুচি যাবলৈ লৈছিল তেতিয়া কিছুমান আনছাৰে তেওঁলোকক মহম্মদৰ লগত যাবলৈ মানা কৰে কাৰণ এখেত (ৰাঃ) প্রকৃততে আনছাৰৰ সন্তান কিন্তু আনছাৰ সকলৰ মানসা অনুসাৰে এখেত ইহুদী হৈছিল আৰু বনু নজিৰে তেখেতক লগত লৈ যাব বিচাৰে। কিন্তু যিহেতু আনছাৰ সকলৰ উদ্দেশ্যটো লা ইকৰা ফিদ্দিন অর্থাৎ ধর্মৰ ক্ষেত্রত কোনো বল প্রয়োগ কৰিব নোৱাৰে। ইয়াৰ বিপৰীতে আছিল সেয়ে আঁহজৰত (ছাঃ)য়ে মুছলমান সকলৰ বিৰুদ্ধে আৰু ইহুদী সকলৰ পক্ষে ৰায় শুনাইছিল যে যিজনে ইহুদী হয় আৰু ইহুদী সকলৰ লগত যাব বিচাৰে তাক আমি বাধা দিব নোৱাৰো। মুঠতে বনু নজিৰৰ দুজন লোকে ইছলাম গ্রহণ কৰি মদিনাত ৰৈ গৈছিল।

আন এটা ৰিৱায়ত অনুযায়ী আঁহজৰত (ছাঃ)য়ে বনু নজিৰৰ লোকক স্বাম (ছিৰিয়াৰ) ফালে গুচি যাবলৈ আদেশ দিছিল। কাৰণ যাতে সিহঁতে মদিনাত নাথাকে আৰু আৰব এৰি গুচি যায়। কিন্তু তথাপি বনু নজিৰৰ কেইজনমান চৰদাৰ যেনে ছালম বিন আবি আলাহ, কায়েক কিনানা বিন ৰবিয়া আৰু হুবা বিন আখতাব আদি লোক সকল আৰু এটা ভাগ হিজাজৰ দক্ষিণ ফালে ইহুদী সকলৰ বিখ্যাত ঠাই খয়বৰত গৈ বসতি স্থাপন কৰে। খয়বৰৰ বাসিন্দা সকলেও তেওঁলোকক আদৰি লয়। অৱশেষত এই লোক সকলেই মুছলমান সকলৰ বিৰুদ্ধে এটা বিপদজ্নক আৰু ভয়ানক যুদ্ধৰ সুত্রপাত ঘটায়। বনু নজিৰৰ সৈতে যুদ্ধ কৰাৰ কোনো প্রয়োজন হোৱা নাছিল বৰং আল্লাহ তা'লা তাৰ নবীৰ প্রভাৱ আৰু প্রতি পত্তিয়ে সেই ইহুদী সকলৰ অন্তৰত ভয় সঞ্চাৰ কৰি দিছিল। এনেদৰে আল্লাহ তা'লা তাৰ ৰছুলক তেওঁলোকৰ ধনমালৰ অংশীদাৰ বনাই দিয়ে।

আনছাৰ সকলৰ বিস্ময়কৰ প্রেম আৰু ত্যাগৰ নমুনাও আমি ইয়াতে দেখিবলৈ পাওঁ যে ৰছুলুল্লাহ (ছাঃ)য়ে বনু নজিৰৰ পৰা লাভ কৰা মালে গনিমত বিতৰণ কৰাৰ সময়ত হজৰত ছাবিত বিন কায়েছ বিন স্বমাছ (ৰাঃ)ক কৈছিল যে মোৰ সন্মুখত তুমাৰ সম্প্রদায়ৰ লোকক মাতি একগোট কৰা। তেখেতে সকলো আনছাৰক মাতি আনি ৰছুলুল্লাহ (ছাঃ)ৰ সন্মুখত থিয় কৰায়। তাতে তেওঁ খজৰজ আৰু আউচ গোত্রৰ লোকক মাতিছিল। আঁহজৰত (ছাঃ)য়ে আনছাৰ সকলে মুহাজিৰিণ সকলৰ লগত কৰা সদ আচৰণ সম্পর্কে কিছু কথাৰ বর্ণনা দি কৈছিল যে তোমালোকে যদি বিচৰা তেন্তে বনু নজিৰৰ পৰা লাভ কৰা মাল তোমালোক আৰু মুহাজেৰিণৰ মাজত ভগাই দিয়া হ'ব। এনেদৰে ভগাই দিলে মুহাজেৰিণ সকল তোমালোকৰ ঘৰতেই

থাকিব আৰু মালৰও মালিক হৈ থাকিব আৰু যদি তোমালোকে সন্মত হোৱা তেন্তে এই ধনমাল কেৱল মুহাজেৰিণৰ মাজত বিতৰণ কৰি দিম। এনে ক্ষেত্ৰত মুহাজেৰিণ সকলে তোমালোকৰ দিয়া ঘৰৰ পৰা ওলাই যাব। এই কথা শুনি হজৰত ছাআদ বিন আবাদা (ৰাঃ) আৰু হজৰত ছাআদ বিন উম্মে আজ (ৰাঃ)য়ে আবেদন জনায় যে আমি দিয়া সকলো ধনমাল সিহঁতৰ ওচৰত থাকিব দিয়ক আৰু বনু নজিৰৰ সকলো ধনমালও মুহাজেৰিণ ভাই সকলক বিতৰণ কৰি দিয়ক। তেতিয়া মুহাজেৰিণ সকলৰ ফালৰ পৰা এটা স্বৰ ভাহি আহিছিল যে হে আল্লাহৰ ৰছুল ! আমি বৰ আনন্দিত হৈছো আৰু আমি এয়া কবুল কৰিলোঁ। আনছাৰ সকলৰ এই কোৰবাণী আৰু ভালপোৱা চাই আঁহজৰত (ছাঃ)য়ে বৰ সুখী আৰু আনন্দিত হৈছিল; আৰু কৈছিল হে আল্লাহ ! আনছাৰ সকলৰ ওপৰত আৰু সিহঁতৰ সন্তান সন্ততিৰ ওপৰত ৰহমত নাযিল কৰা। ইমানতেই বনু নজিৰৰ ঘটনা সম্পৰ্কে বৰ্ণনাৰ অন্ত পৰিল। আগলৈ ইনশা আল্লাহ বেলেগ যুদ্ধৰ ঘটনাৱলী বৰ্ণনা কৰা হ'ব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তানৰ আহমদী, পাকিস্তানৰ সাধাৰণ শান্তি আৰু নিৰাপত্তা আৰু গোটেই বিশ্বৰ মুছলমান আৰু বিশ্বৰ সাধাৰণ পৰিস্থিতিৰ বাবে দোৱাৰ তেহেৰিক কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 28 JUNE 2024**

## BOOK POST (PRINTED MATTER)

TO,

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা